জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৬১/২০২০

# মাজুলী কমলাবাৰী সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ, যশস্বী পণ্ডিত নাৰায়ন চন্দ্ৰ গোস্বামীৰ স্মৃতিচাৰণ অনুষ্ঠানত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## ড° নাৰায়ন চন্দ্ৰ গোস্বামীৰ সাহিত্য, আধ্যাত্মিক আৰু সাংস্কৃতিক সৃষ্টিৰাজি সংৰক্ষণ কৰিব ৰাজ্য চৰকাৰে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২১ আগষ্ট ঃ** মাজুলী কমলাবাৰী সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ, যশস্বী পণ্ডিত, জ্ঞান তপস্বী ড° নাৰায়ন চন্দ্ৰ গোস্বামীৰ স্মৃতিচাৰণ উপলক্ষে মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত কমলাবাৰীস্থিত মাজুলী মহাবিদ্যালয়ৰ কেশৰৰাম বৰা প্ৰেক্ষাগৃহত আয়োজন কৰা ‘একাঁজলী শ্ৰদ্ধাঞ্জলি’ অনুষ্ঠানত অংশ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে  এইগৰাকী বৰেণ্য মনীষীৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ড° নাৰায়ন চন্দ্ৰ গোস্বামীৰ সাহিত্য, আধ্যাত্মিক, সাংস্কৃতিক সৃষ্টিৰাজি ৰাজ্য চৰকাৰে সংৰক্ষণ কৰিব। এইগৰাকী বিশিষ্ট সাহিত্যিকৰ জীৱন দৰ্শন গভীৰভাৱে অধ্যয়ন আৰু গৱেষণাৰ প্ৰয়োজন আছে। তেখেতে আমাৰ সাহিত্য আৰু আধ্যাত্মিক জীৱনধাৰালৈ যি উল্লেখযোগ্য অৱদান আগবঢ়াই গ'ল, সেই আদৰ্শৰে সকলোৱে নিজ নিজ কৰ্মক্ষেত্ৰত দৃঢ়তাৰে প্ৰতিফলিত কৰি নতুন প্ৰজন্মক উৎসাহ-উদ্দীপনা যোগাব লাগিব। প্ৰয়াত সত্ৰাধিকাৰ, যশস্বী পণ্ডিত, জ্ঞান তপস্বী ড° নাৰায়ন চন্দ্ৰ গোস্বামী আছিল অসমৰ আধ্যাত্মিক, সামাজিক, বৌদ্ধিক জগতৰ বটবৃক্ষ স্বৰূপ। তেখেতে আধ্যাত্মিক জগতখনক প্ৰাণৱন্ত কৰাৰ লগতে সাংস্কৃতিক তথা বৌদ্ধিকভাৱে সৱল কৰি জাতীয় জীৱনক মহীয়ান কৰি থৈ গৈছে। নৱ প্ৰজন্মই তেখেতৰ সৃষ্টিৰাজি আৰু আধ্যাত্মিক ভাৱনাক আন্তঃকৰণেৰে লৈ জীৱনৰ বাটত আগুৱাই যাবলৈ প্ৰেৰণা পাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এইগৰাকী সত্ৰাধিকাৰে দেখুৱাই থৈ যোৱা আধ্যাত্মিক, সাংস্কৃতিক, বৌদ্ধিক পথেৰে আমাৰ নৱপ্ৰজন্মই আগবাঢ়ি জাতিটোক অতি শক্তিশালী কৰাৰ দিশত আত্মনিয়োগ কৰিব লাগিব। তেতিয়াহে তেওঁৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানত বিধায়ক বিমল বৰা, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ডম্বৰুধৰ নাথ, দুলীয়াজান-নুমলীগড় পাইপ লাইন লিমিটেডৰ অধ্যক্ষ ৰূপম গোস্বামী, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰ, ভোগপুৰ সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামী, উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামী, বেঙেনাআটী সত্ৰৰ সত্ৰাধিকাৰ ভৱানন্দ দেৱগোস্বামী, ঔৱা সত্ৰৰ সত্ৰাধিকাৰ শৰৎ চন্দ্ৰ গোস্বামী, মাহৰা আধাৰ সত্ৰৰ সত্ৰাধিকাৰ মহেশ গোস্বামী, দলনি চামগুৰি সত্ৰৰ সত্ৰাধিকাৰ গিৰিন্দ্ৰ মহন্ত, বেলেসিদ্ধিয়া সত্ৰৰ সত্ৰাধিকাৰ নন্দ দুলাল দেৱগোস্বামী,আদি বিহিমপুৰ সত্ৰৰ সত্ৰাধিকাৰ অতুল মহন্ত, মাজুলী কমলাবাৰী (নতুন কমলাবাৰী) সত্ৰৰ ডেকা সত্ৰাধিকাৰ সত্যজিৎ মহন্ত, আউনীআটী সত্ৰৰ ডেকা সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামী, দক্ষিণপাট গৃহাশ্ৰমী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামী, বেঙেনাআটী সত্ৰৰ ডেকা সত্ৰাধিকাৰ টুটু গোস্বামী, অন্যান্য ধৰ্মগুৰুসকল, সাহিত্য সভা, লেখিকা সমাৰোহ, পঞ্চায়তৰ প্ৰতিনিধি ইত্যাদিকে ধৰি বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**ৰংবাঃ/ বংভাঃ / পুঃডেঃ**
**২১/০৮/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in